দেশ

দুই দোষীক জামিন, উচ্চতম ন্যায়ালয়ৰ নির্দেশক প্রত্যাহ্বান জনোৱাৰ হুংকাৰ বানুৰ

বিলকিছ্ বানু গোচৰত দোষী সাব্যস্ত দুজনৰ যাৱজ্জীৱন কাৰাদণ্ডৰ শাস্তি স্থগিত ৰাখি জামিন প্রদান কৰিছে সর্বোচ্চ ন্যায়ালয়ে। নির্দেশটোক আইনীভাৱে প্রত্যাহ্বান জনাব বুলি বিলকিছ্ বানুৱে ঘোষণা কৰিছে।

প্রকাশ: ১৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৩৪



Bilkis Bano (PTI)

নতুন দিল্লী, ১৭ নৱেম্বৰ: ২০০২ চনৰ গুজৰাটৰ সাম্প্রদায়িক সংঘর্ষৰ সময়ত বিলকিছ্ বানুক গণধর্ষণ আৰু তেওঁৰ পৰিয়ালৰ সাতগৰাকী সদস্যক হত্যাৰ গোচৰত দোষী সাব্যস্ত হোৱা দুজন লোকক জামিন প্রদানৰ সিদ্ধান্তক লৈ নতুন বিতর্কৰ সৃষ্টি হৈছে। উচ্চতম ন্যায়ালয়ে দুই দোষীৰ যাৱজ্জীৱন কাৰাদণ্ডৰ শাস্তি স্থগিত ৰাখি জামিন প্রদান কৰাৰ পাছতে তীব্র প্রতিক্রিয়া প্রকাশ কৰিছে বিলকিছ্ বানুৱে। তেওঁ অভিযোগ কৰিছে যে তেওঁৰ মতামত নোলোৱাকৈ আৰু তেওঁক শুনানিৰ সুযোগ নিদিয়াকৈয়ে আদালতে এই নির্দেশ প্রদান কৰিছে। লগতে নির্দেশটোক আইনীভাৱে প্রত্যাহ্বান জনোৱাৰো ঘোষণা কৰিছে।

উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ এম এম সুন্দ্রেশ আৰু ন্যায়াধীশ প্রসন্ন বি বাৰে'লৰ বিচাৰপীঠে ২৮ অক্টোবৰত বিপিনচন্দ্র কানাইয়ালাল যোশী আৰু প্রদীপ ৰামনলাল মোধিয়াৰ যাৱজ্জীৱন কাৰাদণ্ডৰ শাস্তি স্থগিত ৰাখি জামিন

প্রদান কৰিছিল। দুয়োজনে ১৭ বছৰতকৈ অধিক সময় কাৰাগাৰত কটোৱাৰ লগতে তেওঁলোকৰ ভিতৰত এজন গুৰুতৰ শাৰীৰিক অক্ষমতাৰ সন্মুখীন হোৱা বিষয়টো আদালতে বিবেচনা কৰিছিল। গোচৰটোৰ আপীলত তথ্য আৰু আইনৰ কেইবাটাও দিশ পৰীক্ষা কৰাৰ অৱকাশ থকাৰ কথাও বিচাৰপীঠে উল্লেখ কৰিছিল। সংশ্লিষ্ট বিচাৰ আদালতে নির্ধাৰণ কৰা চর্ত অনুসৰি তেওঁলোকক জামিনত মুক্তি দিয়াৰ নির্দেশ দিয়া হয়।

আদালতৰ এই নির্দেশৰ পাছতে ১৬ নৱেম্বৰত অধিবক্তা শোভা গুপ্তাৰ জৰিয়তে এক বিবৃতি প্রকাশ কৰি বিলকিছ্ বানুৱে কয় যে তেওঁ সংবাদ মাধ্যমৰ প্রতিবেদনৰ জৰিয়তেহে জামিনৰ সিদ্ধান্তৰ বিষয়ে জানিব পাৰিছে। তেওঁৰ মতে, যিসকল লোকে তেওঁৰ জীৱন আৰু পৰিয়াল ধ্বংস কৰিছিল, তেওঁলোকৰ শাস্তি স্থগিত ৰখাৰ পূর্বে তেওঁৰ বক্তব্য শুনাৰ সুযোগ দিব লাগিছিল।

বিলকিছ্ বানুৱে কয় যে ২০০২ চনৰ ঘটনাৰ সময়ত তেওঁ অতি কম বয়সীয়া আছিল। সেই ঘটনাত তেওঁৰ কন্যা, পৰিয়াল, ঘৰ আৰু মানৱতাৰ প্রতি থকা বিশ্বাস হেৰুৱাইছিল। বিগত ২৪ বছৰ ধৰি ন্যায়ৰ বাবে তেওঁ আইনী যুঁজ অব্যাহত ৰাখিছে। শেহতীয়া নির্দেশৰ পাছত নিজৰ লগতে পৰিয়াল আৰু সন্তানৰ সুৰক্ষাক লৈ পুনৰ ভয় আৰু অনিশ্চয়তাৰ সৃষ্টি হোৱা বুলিও তেওঁ প্রকাশ কৰে। তেওঁ স্পষ্টকৈ কয়, “মই এই নির্দেশৰ বিৰুদ্ধে যুঁজ দিম।”

উল্লেখযোগ্য যে ২০০২ চনৰ গুজৰাট সংঘর্ষৰ সময়ত পাঁচ মাহৰ গর্ভৱতী বিলকিছ্ বানুক গণধর্ষণ কৰাৰ লগতে তেওঁৰ তিনিবছৰীয়া কন্যাসহ পৰিয়ালৰ সাতগৰাকী সদস্যক হত্যা কৰা হৈছিল। ২০০৮ চনত মুম্বাইৰ বিশেষ চি বি আই আদালতে এই গোচৰত ১১জন লোকক যাৱজ্জীৱন কাৰাদণ্ডৰ শাস্তি প্রদান কৰিছিল।

২০২২ চনত গুজৰাট চৰকাৰে ১১জন দোষীক আগতীয়াকৈ মুক্তি দিছিল। কিন্তু ২০২৪ চনৰ ৮ জানুৱাৰীত উচ্চতম ন্যায়ালয়ে সেই ৰেহাইৰ নির্দেশ বাতিল কৰি তেওঁলোকক পুনৰ কাৰাগাৰলৈ উভতি যাবলৈ নির্দেশ দিছিল। শেহতীয়া নির্দেশে সেই ১১জন দোষীৰ ভিতৰত দুজনৰ শাস্তি স্থগিত ৰাখিছে যদিও তেওঁলোকৰ পূর্বৰ দোষী সাব্যস্ত হোৱাৰ ৰায় বাতিল কৰা নাই।

এতিয়া উচ্চতম ন্যায়ালয়ৰ শেহতীয়া নির্দেশৰ বিৰুদ্ধে বিলকিছ্ বানুৱে কি আইনী পদক্ষেপ গ্রহণ কৰে, তাৰ ওপৰত দৃষ্টি নিবদ্ধ কৰিছে সকলোৱে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/3873/bilkich-banu-dui-doshee-jamin